জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ২৮/২০২১

# বিশিষ্ট চলচ্চিত্ৰ পৰিচালক শম্ভু গুপ্তাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৭ মে’ ঃ** বিশিষ্ট চলচ্চিত্ৰ পৰিচালক তথা নিষ্ঠাৱান সাংস্কৃতিক কৰ্মী শম্ভু গুপ্তাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰয়াত শম্ভু গুপ্তাৰ বিয়োগত অসমৰ সাংস্কৃতিক জগতত এক পূৰাব নোৱাৰা শূন্যতাৰ সৃষ্টি হ’ল। প্ৰয়াত চলচ্চিত্ৰ পৰিচালকগৰাকীয়ে কেইবাখনো চলচ্চিত্ৰ সুখ্যাতিৰে পৰিচালনা কৰি আমাৰ বোলছবি জগতখনক চহকী কৰি থৈ গৈছে। তদুপৰি এগৰাকী নিষ্ঠাৱান সাংস্কৃতিক কৰ্মী হিচাপেও তেখেতে ৰাজ্যখনৰ সংস্কৃতিৰ বৰপথাৰখনলৈ বিশিষ্ট অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী চলচ্চিত্ৰ পৰিচালকৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত শম্ভু গুপ্তাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

বঃভাঃ
১৭/০৫/২০২১

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in